# কুৱেইটৰ প্ৰধানমন্ত্ৰী এইচ.এইচ শ্বেইখ জাবেৰ অল-মুবাৰাক অল-হামাদ অল –চাবাহ ভাৰতলৈ ৰাজকীয় ভ্ৰমণ কাৰ্য্যসূচী লৈ আহিব ।

অক্তোৱৰ ৩১,২০১৩

১.  প্ৰধানমন্ত্ৰী ড.মণমোহন সিঙৰ আমন্ত্ৰণত কুৱেইটৰ প্ৰধান মন্ত্ৰী মহামান্য শ্বেইখ জাবেৰ অল-মুবাৰক অল-চাবাহ অহা ৭ নভেম্বৰ ২০১৩ৰ পৰা ১০ নভেম্বৰ ২০১৩ লৈ ভাৰতলৈ ৰাজকীয় ভ্ৰমণত আহিব ।মন্ত্ৰী,উচ্চ পদস্থ বিষয়া আৰু ঔদ্যোগিক ক্ষেত্ৰৰ নেতৃত্বৰ এটা প্ৰতিনিধিৰ দলে তেওঁক এই ভ্ৰমণত সহযোগ কৰিব ।

২.  ২০০৩ চনত ক্ৰাউন প্ৰিন্স আৰু প্ৰধানমন্ত্ৰীৰ পৃথকীকৰণ হোৱাৰ পাছত ভাৰতলৈ কুৱেইটৰ পৰা শীৰ্ষ চৰকাৰী স্তৰত এইটো হব প্ৰথমটো ভ্ৰমণ ।যোৱা ১৯৮১ চনত তেতিয়াৰ প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধিৰ কুৱেইট ভ্ৰমণটোৱেই আছিল আমাৰ তৰফৰ পৰা চৰকাৰী শীৰ্ষ পৰ্যায়ত কুৱেইট ভ্ৰমণলৈ যোৱা শেষ ভ্ৰমণ ।

৩.  প্ৰধানমন্ত্ৰী শ্বেইখ জাবেৰৰ ভ্ৰমণ কালত তেওঁ দেশৰ ৰাষ্ট্ৰপতি শ্ৰী প্ৰণৱ মূৰ্খাজী আৰু উপ-ৰাষ্ট্ৰপতি শ্ৰী হামিদ আনচাৰিক সাক্ষাৎ কৰিব ।তেওঁ প্ৰধানমন্ত্ৰী ড:মণমোহন সিঙৰ সৈতে দ্বিপাক্ষীক বৈঠকত মিলিত হব । তেওঁৰ আনবোৰ গুৰুত্বপূৰ্ণ কাৰ্য্যসূচীৰ ভিতৰত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী ,কেন্দ্ৰীয়

বহি:পৰিক্ৰমা মন্ত্ৰী আৰু কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰীৰ সৈতে অনুষ্ঠিত হবলগীয়া বৈঠক সমুহ অন্তৰ্ভক্ত হৈ আছে ।প্ৰধানমন্ত্ৰী শ্বেইখ জাবেৰে দেশৰ তিনিটা বাণিজ্যিক চেম্বাৰ – ফিকি, চি আই আই আৰু এ এচ এচ ও চি এইচ এ এমে যুটিয়া ভাৱে আয়োজন কৰা বাণিজ্যিক উদ্বোধনী বৈঠকত অংশ গ্ৰহণ কৰিব ।প্ৰধানমন্ত্ৰী শ্বেইখ জাবেৰ আৰু তেওঁৰ প্ৰতিনিধি দলটোৱে আগ্ৰা ও ভ্ৰমণ কৰিব ।

৪. ঐতিহাসিক ভাৱে কুৱেইট আৰু ভাৰতে জনসাধাৰনৰ সৈতে জনসাধাৰনৰ মাজত থকা ওচৰ সম্পৰ্কৰ ভিত্তিতেই দুয়োখন দেশে বন্ধুত্বৰ সম্বন্ধৰ অংশীদাৰি হৈ আহিছে । ভৌগলিক সামীপ্য, ঐতিহাসিক বাণিজ্যিক সম্পৰ্ক,সাংস্কৃতিৰ সাদৃশ্যতা আৰু আন প্ৰসংগ সমুহৰ মাজতে শক্তি সুৰক্ষা,বাণিজ্য আৰু বিনিয়োগ,আন্ত:গাঠনি মুলক উন্নয়নৰ প্ৰকল্প সমুহ পেট্ৰোকেমিকেল আৰু শিক্ষা আদি মুখ্য বিষয় সমুহক সামৰি দুয়ো দেশৰ মাজত একে ধৰনৰ গুৰুত্ব পোৱা বিষয় সমুহৰ ক্ষেত্ৰত সহযোগিতাৰ বৃদ্ধিৰ জৰিয়তে দুয়োদেশৰ মাজৰ দীৰ্ঘদিনীয়া সম্বন্ধক নিয়মিত ভাৱে শক্তিশালি আৰু সম্প্ৰসাৰিত কৰি আহিছে ।

৫. দুয়োখন দেশ ইখনে সিখনৰ মুখ্য বাণিজ্যিক অংশীদাৰ । দ্বিপাক্ষীক বাণিজ্যিক ক্ষেত্ৰত ২০১২-১৩ চনত অতিৰিক্ত ১৭ বিলিয়ন আমেৰিকান ডলাৰ বাণিজ্যৰে ভাৰতক বিশ্বব্যাপী খাৰুৱা তেল যোগান ধাৰি দেশৰ ভিতৰত কুৱেইট চতুৰ্থ খন বৃহৎ দেশ । দুয়ো দেশে শক্তি আৰু তেল অনুসন্ধান কৰা,ৰিফাইনেৰি,পেট্ৰোকেমিকেল কমপ্লেস্ক আৰু ৰাসায়নিক খাৰৰ

প্ৰকল্পকৰ অন্তভুক্তিৰে  বিভিন্ন পাৰস্পাৰিক লাভালাভ থকা অন্যান্য ক্ষেত্ৰ সমুহৰ বিষয়ত সহযোগিতাৰ বৃদ্ধিৰ বাবে দুয়ো দেশে অনুসন্ধান কৰিছে ।

৬.  কুৱেইটত ভৰতীয় সকলে দক্ষতাৰ বৃহৎ সম্প্ৰদায় গঠন কৰিছে আৰু অভ্যাৰ্থনাকাৰি দেশ খনৰ প্ৰগতি আৰু উন্নয়নৰ ক্ষেত্ৰত তেওঁলোকৰ ইতিবাচক অৱদানক সকলোৱে অতি সুন্দৰভাৱে স্বিকৃতি দিছে ।কুৱেইটত ৭০০,০০০ তকৈও অধিক ভাৰতীয় নাগৰিকে কাম কৰি আছে ।

নতুন দিল্লী

অক্তোবৰ ৩১,২০১৩